# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** তাং- ৩০/০৫/২০১৯

## কাৰ্য্যবিৱৰণী

আজি ইং ৩০/০৫/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । মূখ্য ন্যায়িক দণ্ডাধীশৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত ন্যায়িক বিষয়াসকল, কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ লগতে PSI Court ৰ কৰ্মচাৰীসকল উপস্থিত থাকে ।

বৈঠকৰ আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে পূৰ্ববতী বৈঠকসমূহত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ ৰূপায়নৰ ওপৰত পৰ্য্যালোচনা কৰে আৰু Judgment সময় মতে Upload কৰিবলৈ নিৰ্দেশ কৰে ।

Bench সহায়কসকলক উদ্দেশ্য কৰি আগবঢ়োৱা বক্তব্যত আচামী তথা সাক্ষীলৈ পঠোৱা চমনসমূহ ঘূৰি অহা নহাৰ ওপৰত নজৰ দিয়াৰ লগতে Fine Register ভালকৈ জাৰি ৰাখিবলৈ নিৰ্দেশ কৰে । Bench সহায়কসকলৰ ছুটীৰ ক্ষেত্ৰত কৰ্মৰত আদালতৰ ন্যায়িক বিষয়াৰ জৰিয়তে নিবেদন কৰিবলৈ নিৰ্দেশ কৰে । ইয়াৰ ওপৰিও এক নিৰ্দিষ্ট সময়ৰ অন্তৰালত Case Record সমূহৰ Physical Verification কৰিবলৈ পৰামৰ্শ আগবঢ়াই ।

সাক্ষী বা আচামীলৈ পঠোৱা চমন ঘূৰি অহাৰ ক্ষেত্ৰত Bench সহায়কসকলে জনায় যে সাক্ষীৰ চমনসমূহ ঘূৰি অহাত পলম হয় অথবা কোনো ক্ষেত্ৰত নিৰ্ধাৰিত তাৰিখৰ পিছবেলা লাভ কৰে, যাৰ ফলত অসুবিধাৰ সন্মূখীন হ'ব লগা হয় । এইক্ষেত্ৰত PSI Court ৰ ফালৰ পৰা জনায় যে চমনসমূহ নিৰ্ধাৰিত তাৰিখৰ আগতে ঘূৰাই পথাবলৈ সংশ্লিষ্ট আৰক্ষী চকীৰ প্ৰভাৰীসকলক জনোৱা হৈছে । লগতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে আৰক্ষী বিষয়া সকলৰ বৈঠকত এই বিষয়ে উত্থাপন কৰিবলৈ পৰামৰ্শ আগবঢ়াই ।

GR বিভাগৰ সহায়কক ন্যায়িক বিষয়াসকলৰ ক্ষেত্ৰাধিকাৰসমূহৰ সালসলনিৰ বিষয়ে পৰৱৰ্তী সময়ত উনুকিয়াই দিবলৈ নিৰ্দেশ কৰে । লগতে Police Diary প্ৰতিলিপিকাৰকক পূৰ্বৱৰ্তী সময়ৰ নিৰ্দেশমৰ্মে Case Diary ৰ এটাকৈ প্ৰতিলিপি প্ৰদান কৰিবলৈ জনায় ।

Record room ৰ Scanning কৰা Record সমূহৰ তথ্য আৰু Scanning প্ৰতিলিপিসমূহৰ সবিশেষ তথ্য মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ক অৱগত কৰাবলৈ নিৰ্দেশ কৰে । ইয়াৰোপৰি Record room ৰ পৰা প্ৰেৰণ কৰা আৰু দাখিল কৰা তথ্য Record room ৰ প্ৰভাৰী ন্যায়িক বিষয়াৰ নিৰ্দেশমৰ্মে কৰিবলৈ জনায় ।

PSI Court ৰ জব্দ কৰা পুৰণি সামগ্ৰীসমূহ নষ্ট কৰাৰ ক্ষেত্ৰত আলোচনা কৰা হয়।

জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মহোদয়ে আগবঢ়োৱা বক্তব্যত উল্লেখ কৰে যে ন্যায়িক বিষয়া তথা কৰ্মচাৰীসকলে আইনৰ শৰণাপন্ন ব্যক্তিসকলক প্ৰযত্নে সহায় কৰিব লাগে। Filed হোৱা গোচৰসমূহ সুকীয়াকৈ সংৰক্ষণ কৰিবলৈ পৰামৰ্শ আগবঢ়াই। কৰ্মচাৰীসকলে কাৰ্যালয়ৰ নীতি নিয়মসমূহ সঠিকভাৱে পালন কৰাৰ লগতে নিয়মানুৱৰ্তিতা অৱলম্বন কৰিবলৈ জনায়। ইয়াৰোপৰি CIS, লোক আদালতৰ প্ৰেৰণ কৰা চমন তথা অন্যান্য বিষয়ত ফলপ্ৰসু পৰামৰ্শ প্ৰদান কৰে।

কাৰ্যালয়ৰ মূখ্য সহায়কে কাৰ্যালয়ৰ কৰ্মৰ সময়ত কোনো কৰ্মচাৰী কাৰ্যালয় এৰি যাব লগা হলে কৰ্তৃপক্ষক অৱগত কৰি যাবলৈ জনায়। আপীল আদালতসমূহলৈ Case Record সমূহ প্ৰেৰণ কৰোতে যাৱতীয় নথি-পত্ৰ সংলগ্ন কৰি পঠাবলৈ জনায়। ইয়াৰোপৰি পৰোৱানা তথা পত্ৰসমূহ উপযুক্ত পৰিস্থিতিত সুচাৰুৰূপে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। লগতে মূখ্য ন্যায়িকদণ্ডাধীশ মহোদয়ে Bench সহায়কসকলক আদালতৰ কৰ্মত প্ৰয়োজনীয় পৰোৱানা তথা পত্ৰসমূহ সংগ্ৰহ কৰিবলৈ নিৰ্দেশ কৰে। এইক্ষেত্ৰত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মহোদয়ে নানা পৰোৱানা তথা পত্ৰৰ বিন্যাসৰ প্ৰতিলিপি প্ৰদান কৰিব বুলি জনায়।

ইয়াৰ পাছতে কাৰ্যালয়ৰ অন্যান্য শিতান, যেনে নতুন পৰিচয় পত্ৰ তৈয়াৰ ইত্যাদিৰ ওপৰত আলোচনা কৰা হয় আৰু জলযোগেৰে বৈঠকখনিৰ সামৰণি পৰে।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰুপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰাহুল মেধি)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)